**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-10-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---------------------------------------------

ৰাজ্যৰ পাঁচটা বিধানসভা  নিৰ্বাচনৰ বাবে হ'বলগীয়া আসন্ন উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন। বৰ্তমানলৈকে এই পাঁচটা সমষ্টিৰ বাবে মুঠ ১৪গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। উপ-নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী তথা বিজেপি নেতা পীযুষ হাজৰিকাই কালি চামগুৰিত দলীয় প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। জ্যেষ্ঠ নেতাগৰাকীয়ে বিহালীত বিজেপি দলৰ প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰৰ মনোনয়ন পত্ৰ দাখিলৰ সময়তো উপস্থিত থাকে। ইপিনে, আম আদমী পাৰ্টিয়েও বিহালী বিধানসভা সমষ্টিৰ বাবে অনন্ত গগৈ আৰু চামগুৰি বিধানসভা সমষ্টিৰ বাবে নুৰুল আমিন চৌধুৰীক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে।

ইপিনে, জ্যেষ্ঠ বিজেপি নেতা তথা ৰাজ্যিক জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই ধলাই সমষ্টিৰ বিজেপি প্ৰাৰ্থী নিহাৰ ৰঞ্জন দাসৰ নিৰ্বাচনী প্ৰচাৰত ভাগ লোৱাৰ লগতে মনোনয়ন পত্ৰ দাখিলৰ সময়ত সংগ দিয়ে। আনহাতে, ধলাই সমষ্টিতেই নিৰ্দলীয় প্ৰাৰ্থী হিচাপে মনোনয়ন পত্ৰ দাখিল কৰে কাছাৰ জিলা বিজেপিৰ পদত্যাগী উপ-সভাপতি অমিয় কান্তি দাসে।

০০০০০০

জাগীৰোড মহাবিদ্যালয়ত আজি অৰ্ধ পৰিবাহী পৰিমণ্ডল-উত্তৰ পূব ভাৰতৰ বাবে সুযোগ আৰু সজাগতা শীৰ্ষক এলানি আলোচনা অনুষ্ঠিত হ'ব। ছেমি কণ্ডাক্টৰ অৰ্থাৎ অৰ্ধ পৰিবাহী উদ্যোগৰ লগত জড়িত বহুকেইগৰাকী বিশেষজ্ঞই এই আলোচনাত সমল ব্যক্তিৰূপে উপস্থিত থাকিব।

০০০০০০

অষ্টম চলচিত্ৰম ৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ-২০২৪ কাইলৈ আৰু পৰহিলৈ গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অনুষ্ঠিত হ'ব। এই মহোৎসৱত ৫০ খন তথ্যচিত্ৰ আৰু চুটি ছবিৰ প্ৰদৰ্শন কৰা হ'ব। বিশ্ব সংবাদকেন্দ্ৰ, অসমৰ সহযোগী অনুষ্ঠান চলচিত্ৰমৰ উদ্যোগত আয়োজিত এই মহোৎসৱৰ মূল বিষয়বস্তু হৈছে- **আমাৰ ঐতিহ্য আমাৰ গৌৰৱ**। মূল বিষয়বস্তুৰ উপৰি মহোৎসৱত ভূমি আৰু মানুহ, পৰ্যটন, কলা, হস্তশিল্প আৰু বস্ত্ৰ, পাণ্ডুলিপি আৰু পাণ্ডুলিপি চিত্ৰাংকন, চিত্ৰাংকন আৰু কাঠত খোদাই কৰা কলা, সংগীত আৰু সংগীতজ্ঞ, সাংস্কৃতিক উৎসৱ, স্মৃতি সৌধ আৰু ঐতিহ্যক্ষেত্ৰ, সমাজ সংস্কাৰক আৰু আগৰণুৱাসকলক, ক্ৰীড়া, চাহ আৰু তৈল উদ্যোগ, সংস্কৃতি আৰু মূল্যবোধ, সামাজিক সজাগতা, পৰিয়াল ব্যৱস্থা, মহিলা, পৰিৱেশ আদি বিষয়কো প্ৰাধান্য দিয়া হৈছে। কাইলৈ এই মহোৎসৱ কটন বিশ্ববিদ্যালয়ৰ উপচাৰ্য অধ্যাপক ৰমেশ চন্দ্ৰ ডেকাই উদ্বোধন কৰিব।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে পৰহিলৈ গুৱাহাটীত উপস্থিত হৈ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই ভ্ৰমণকালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় আধ্যাত্মিক যুৱ সমাজ গুৱাহাটীৰ একবিংশ আন্তঃৰাষ্ট্ৰীয় সমাৱৰ্তনত অংশ ল'ব। তেওঁ লগতে ৰাজভৱনলৈও যোৱাৰ কথা আছে।

০০০০০০

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে ২০২৪ বৰ্ষৰ ক্ৰীড়া বঁটাসমূহৰ বাবে আৱেদন বিচাৰিছে। খেলৰ ক্ষেত্ৰত আগবঢ়োৱা উৎকৃষ্ট প্ৰদৰ্শনৰ স্বীকৃতি স্বৰূপে প্ৰতি বছৰে এই বঁটাসমূহ প্ৰদান কৰা হয়। খেলৰ ক্ষেত্ৰত আগবঢ়োৱা উৎকৃষ্ট আৰু আকৰ্ষণীয় প্ৰদৰ্শনৰ বাবে এগৰাকী খেলুৱৈকে মেজৰ ধ্যানচন্দ খেলৰত্ন বঁটা প্ৰদান কৰা হয়। একেদৰে নিৰন্তৰ উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে অৰ্জুন বঁটা প্ৰদান কৰা হয়। খেলৰ বিকাশত আগবঢ়োৱা জীৱনজোৰা অৱদানৰ বাবে শেহতীয়াকৈ প্ৰৱৰ্তন কৰা অৰ্জুন জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰা হয়। সেইদৰে আগশাৰীৰ আন্তঃৰাষ্ট্ৰীয় খেল প্ৰতিযোগিতাত পদক জয়ী খেলুৱৈ গঢ়ি তোলাৰ বাবে প্ৰশিক্ষকসকলক দ্ৰোণাচাৰ্য বঁটা প্ৰদান কৰা হয়। যোগ্য খেলুৱৈ, প্ৰশিক্ষক আৰু সংস্থাসমূহে ১৪ নৱেম্বৰৰ ভিতৰত dbtyas-sports.gov.in প'ৰ্টেল যোগে আৱেদন দাখিল কৰিব পাৰিব।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কৈছে যে, কালি মাজনিশা ওড়িশাৰ ভিটৰকনিকা ৰাষ্ট্ৰীয় উদ্যান আৰু ধামৰা বন্দৰৰ মাজৰ উপকূল ভাগত খুন্দা মৰা ডানা নামৰ ঘূৰ্ণী বতাহ জাক সম্প্ৰতি ওড়িশা আৰু পশ্চিমবংগৰ উপকূলভাগৰ দিশে অগ্ৰসৰ হৈছে। ভূৱনেশ্বৰৰ বতৰ বিজ্ঞান বিভাগৰ কাৰ্যালয়ে প্ৰকাশ কৰা মতে, ধুমুহাজাক ভূ-ভাগত প্ৰৱেশ কৰাৰ সময়ত ইয়াৰ গতিবেগ প্ৰতিঘণ্টাত ১২০ কিলোমিটাৰলৈ বৃদ্ধি পায়। প্ৰৱল ধুমুহা জাক দুৰ্বল হোৱালৈকে প্ৰায় ৩-৪ ঘণ্টা বতাহ জাকৰ প্ৰাবল্য একেদৰে থাকে। বতাহজাকৰ প্ৰভাৱত ওড়িশাৰ কেন্দ্ৰপাৰা আৰু ভদ্ৰক জিলাত ধাৰাষাৰ বৰষুণ হোৱা বুলি জানিব পৰা গৈছে। ময়ূৰভঞ্জ, কটক, জাজপুৰ, বালেশ্বৰ আৰু জগতসিংপুৰ জিলা আৰু ইয়াৰ চৌপাশৰ এলেকাসমূহতো প্ৰৱল বৰষুণ দি আছে। স্থানীয় কৰ্তৃপক্ষসমূহক সৰ্তক কৰি দিয়া হৈছে আৰু বিপদৰ আশংকা থকা এলেকাসমূহক জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন মাঝিয়ে পৰিস্থিতি সক্ৰিয়ভাৱে নিৰীক্ষণ কৰি আছে।

০০০০০০

সমাপ্ত